মহাৰাজ

# নৰকাসুৰ

শ্ৰীআদ্যনাথ শৰ্ম্মা

বেচ দহ অনা।

# Assam
# Government Public Library

Est—1903

## Date Label

This book must be returned within 15 days from the date of issue to avoid dislocation in the issue system.

| Date of issue | Date of issue | Date of issue | Date of issue |
| --- | --- | --- | --- |

# মহাৰাজ নৰকাসুৰ

GOVT. PUBLIC LIBRARY

—লেখক—

শ্ৰীআত্মনাথ শৰ্ম্মা

১৯৪২

পৰিবেশক

চপলা বুক ষ্টল

অসমৰ বৃহত্তম পুস্তক প্ৰতিষ্ঠান

প্ৰকাশক
সাহিত্য প্ৰকাশ
ট্ৰিবিউন বিল্ডিং,
ট্ৰিবিউন্ পোঃ আঃ
গুৱাহাটী।

## স্বৰ্গগতা

বোৱাৰী—দময়ন্তী দেৱী।
জীয়াৰী—মাকো আৰু পুতুল মাই।

জনম-মৰণ দুটি বালিচৰ
মাজতে জীৱন-সোঁত ;
জনমৰ গুৰি মৰণৰ আঁত
নেদেখিলোঁ আছে ক'ত।

জীৱন-সুঁতীয়ে অকাই পকাই
কতনো নকৰে খেলা—
পৰ্ব্বতক কৰে অথাই সাগৰ
অথানিত পাতে টিলা।

ষাঠিটা বছৰ ভাবিয়ে কটালোঁ
চিন্তাতে পকালোঁ চুলি ;
পাছত আহিও দেখিলি আগতে
কত নো বুধিটো পালি ?

LIBRARY

## সবিনয় নিবেদন—

আমাৰ লৰা-ছোৱালীবোৰৰ ইতিহাস পুথিত কামৰূপ-অধিপতি নৰকৰ নামটো উল্লেখ মাত্র কৰি থৈছে। এই উল্লেখিত ৰজাজনৰ ৰহস্যযুক্ত জীৱন কথা সিহঁতে বহলভাবে পঢ়িলে অসম ইতিহাসৰ এটি অধ্যায় ভালকৈ জনা হব বুলি ভাবি "মহাৰাজ নৰকাসুৰ" লেখা হল।

নলবাৰী।
২৬ আহিন, ১৮৬৭ শক
দুর্গা-সপ্তমী।

শ্ৰীআত্মনাথ শৰ্ম্মা

# মহাৰাজ নৰকাসুৰ

—০:*:০—

## আগকথা

অতি পুৰণিকালত এতিয়াৰ বঙ্গদেশৰ প্ৰায় আধামানেৰে সৈতে আমাৰ এই অসম দেশখনক কামৰূপ বুলিছিল। আজিকালি কামৰূপ এখন সৰু জিলা; কিন্তু তেতিয়া কামৰূপ আছিল গোটেই ভাৰতবৰ্ষতে জনাজাত এখন বিশাল ৰাজ্য। সেই কালত "নৰক" নামে এজন সুবিখ্যাত ৰজাই কামৰূপত ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজধানীৰ নাম আছিল "প্ৰাগ্-জ্যোতিষ্‌পুৰ"। আমাৰ গুৱাহাটীয়েই তেতিয়াৰ কামৰূপ ৰাজ্যৰ ৰাজধানী প্ৰাগ্‌জ্যোতিষ্‌পুৰ।

এতিয়াৰ এই কলিযুগৰ কথা নহয়,—তাৰ আগৰ দ্বাপৰ যুগৰো কথা নহয়, দ্বাপৰৰো আগৰ ত্ৰেতা-যুগত নৰক ৰজাই কামৰূপত ৰাজত্ব কৰিছিল। কিন্তু আজিও নৰক ৰজাৰ নানা কথা নানা কাহিনী আমাৰ দেশত সুপ্ৰচলিত আছে। তেওঁৰ ৰাজধানীৰ আলি-পদুলী, ঘৰ-দুৱাৰৰ চিন-চাব গুৱাহাটীৰ পূব-দক্ষিণ গাতে দেখিবলৈ পোৱা যায়। অসুৰৰ আলি,

অসুৰৰ পুখুৰী, অসুৰৰ পৰ্বত আৰু গুপ্তপুৰীৰ সুৰঙ্গ-দুৱাৰ আদিৰ ভগ্নাৱশেষ—এতিয়াও পৰি পৰি আছে। সেই আটাই বোৰকে ৰজা নৰকাসুৰৰ কীৰ্ত্তিৰ চিন বুলি আজিও গুৱাহটীয়া লোকে দেখুৱাই দিয়ে।

"পুৰাণ" নামে শাস্ত্রত ভাৰতবৰ্ষৰ পুৰণিকালৰ ৰজা-প্রজা, ধৰ্ম-সমাজ আদি নানা কথা নানা কাহিনী বহলাই বৰ্ণোৱা আছে। সেই হিচাবে পুৰাণবোৰক ভাৰতবৰ্ষৰ পুৰণি ইতিহাস বুলিও কব পাৰি। "কালিকা পুৰাণ" নামে পুৰাণ শাস্ত্র এখনত ৰজা নৰকাসুৰৰ বিষয় বহল ভাৱে পোৱা যায়। কিন্তু কামৰূপ ৰাজ্য আৰু তাৰ ৰজা নৰকৰ বিষয় জানিব খুজিলে, "বিদেহ" নামে ৰাজ্য আৰু তাৰ ৰজাৰ কথা আগধৰি জনা আৱশ্যক।

বিদেহ ৰাজ্য আছিল কামৰূপৰ পশ্চিম ফালে। এতিয়াৰ যুক্তপ্রদেশৰ পূবফালটোকে তেতিয়া বিদেহ বুলিছিল। ৰাজধানীৰ নাম আছিল "মিথিলা"। বিদেহত ৰাজত্ব কৰা ক্ষত্রিয় ৰজাসকলৰ উপাধি "জনক" আছিল। সীৰধ্বজ জনক নামে বিদেহৰ ৰজাজন মহাজ্ঞানী আৰু সদায় যাগ-যজ্ঞ কৰা ধাৰ্মিক লোক বুলি প্ৰখ্যাত আছিল। তেতিয়াৰ ভাৰতবৰ্ষৰ মানুহে সীৰধ্বজক মুঠতে "জনক" বুলি উল্লেখ কৰিছিল।

যি ঠাইত যজ্ঞ কৰা হয়, তাক চাফ চিকুণ কৰি হাল বাই চহাই সমান কৰি লব লাগে। যজ্ঞকৰ্ত্তা অৰ্থাৎ যেয়ে যজ্ঞ

পাতে তেওঁৱেই হাল যাত্ৰা কৰা নিয়ম। জনক ৰজাই যজ্ঞ-ভূমিত হাল যাত্ৰা কৰোতে নাঙলৰ সিৰালত এটি অকণমানি সৰু ছোৱালী পালে। সেই ছোৱালীটি আছিল বসুমতী অৰ্থাৎ পৃথিবীৰ পৰা ওপজা। জনকে আতো-পুতো কৰি ছোৱালীকণক কোলাত লৈ লৰালৰি কৰি ৰাজ-হাউলিৰ ফালে খোজ ললে। এনেতে বসুমতী দেৱী আহি জনকক কলে "মহাৰাজ! ছোৱালীকণৰ মাতৃ মই। যদি কোনো এসময়ত আপুনি মোৰ আন এটি সন্তান পালন কৰিবলৈ সন্মত হয়, তেনেহলেহে এইক নিব পাৰিব; নহলে মোৰ ছোৱালী এৰি যাওক।"

ৰজাই বসুমতীৰ কথাতে সন্মত হৈ, সেই মৰম লগা ছোৱালীটি নি ৰাণী সুমতীক ডাঙৰ দীঘল কৰিব দিলে। ছোৱালীটিৰ নাম থলে সীতা। কালত সীতা দেবীক অযোধ্যা ৰাজ্যৰ ৰাজকোঁৱৰ ৰামচন্দ্ৰেৰে সৈতে জনকে বিয়া দিয়ে। লঙ্কাৰাজ্যৰ ৰজা ৰাবনে সীতাক হৰণ কৰা বাবে ৰামৰ হাতত ৰাবণৰ মৃত্যু হয়। সীতাৰ সম্বন্ধে সকলো কথাকে "ৰামায়ণ" নামে পুথিত লেখা আছে।

---

# আদহোৱা

## প্ৰথম অধ্যায়—

সীতা ওপজাৰ কিছুদিনৰ পাছত জনক ৰজাৰ সেই যজ্ঞ-ভূমিতে বসুমতী দেবীয়ে পুত্ৰ সন্তান এটি জন্ম দিলে। এই লৰাটিৰ পিতৃ হৈছে ভগবান বিষ্ণু। বিষ্ণুই লৰাটিক চাবলৈ আহি বসুমতীক কলে—"দেবি! তোমাৰ এই সন্তানটি অসুৰ স্বভাবী হোৱাৰ সম্ভাৱনা আছে; কিন্তু ই যদি মানুহৰ নিচিনা শিক্ষা-দীক্ষা পায়, তেনেহলে কালত গুণী, জ্ঞানী, পণ্ডিত, যশস্বী আৰু মহা প্ৰতাপী লোক হৈ উঠিব; আৰু ষোল বছৰ বয়সতে এক বিশাল ৰাজ্যৰ অধিপতি হব পাৰিব। কিন্তু যেতিয়াই মনুষ্যধৰ্ম এৰি অমানুহৰ নিচিনা অসভ্য আচৰণ কৰিব তেতিয়াই ইয়াৰ মৃত্যু হব। সেই কাৰণে দেবি তুমি এতিয়াৰে পৰা পুত্ৰক সৰ্ব প্ৰকাৰে মনুষ্য-ধৰ্ম শিক্ষা দিয়াৰ চেষ্টা কৰা"—ইয়াকে কৈ বিষ্ণু তেওঁৰ থকা ঠাই বিষ্ণু-লোকলৈ গুচি গল।

পুত্ৰ পালনৰ কথা, আগতে জনক ৰজাক কোৱাই আছিল; সেইবাবে বসুমতীয়ে কেচুৱাটিৰ বিষয়ে একো চিন্তা নকৰি তেতিয়াই জনকৰ ওচৰলৈ গল। ৰজাক কলে, "মহাৰাজ! মোৰ

সন্তান ;উপজিল আপোনাৰ যজ্ঞ-ভূমিলৈ গলেই তাক দেখা পাব। আমাৰ পূৰ্ব বন্দবস্ত মতে আপুনি মোৰ এই পুত্ৰটিক পালন কৰক আৰু সকলো প্ৰকাৰৰ মনুষ্যধৰ্ম শিক্ষা দিয়ক। যোল বছৰ বয়স হলেই তাক মই লৈ যাম"—ইয়াকে কৈ বসুমতী জনকৰ পৰা বিদায় ললে।

তেতিয়া মাজ নিশা। সকলোৱে টোপনিত।

জনক ৰজাই সপোনত দেখাৰ নিচিনাকৈ বসুমতীক দেখিলে আৰু সপোনত শুনাৰ নিচিনাকৈ বসুমতীৰ কথা শুনিলে ও পূৰ্বৰ কথা তেওঁৰ মনত পৰিল। কাকো টোপনিৰ পৰা নজগাই হাতৰ সাৰে ভৰিৰ সাৰে অকলে সেই মাজনিশাখনত তেওঁ ৰাজপুৰীৰ পৰা ওলাই গল!

লৰালৰি কৰি ৰজা গৈ যজ্ঞ-ভূমিত উপস্থিত হল; কিন্তু বসুমতীৰ সন্তানক হলে তাত দেখা নাপালে। ইফালে সিফালে ঘূৰি-পকি চাই ফুৰিব ধৰিলে। চাৰিওফালে বিচাৰি খোচাৰি নাপাই উভটি আহিবলৈ মন কৰিছে, এনেতে কেচুৱাৰ কান্দোনৰ শব্দ ৰজাৰ কাণত পৰিল। সেই শব্দ অনুসৰি গৈ গৈ তেওঁ যজ্ঞ-ভূমিৰ বাজ ওলাল। তাত গৈ দেখিলে ফুলপাহ যেন কেচুৱা লৰা এটিয়ে মৰা মানুহৰ মূৰৰ খোলা এছটা মূৰ-শিতান কৰি হাত-ভৰি আছাৰি কান্দি আছে। তাৰ গাৰ ধূলি-বালিলৈ মন কৰি যজ্ঞ-ভূমিৰ পৰা বাগৰি যোৱা বুলি ৰজাই অনুমান কৰিলে। আৰু তাকে সঠিক বুলি

ভাবি ধৰমী জনক ৰজাই কেচুৱাটিক কোলাত লৈ ৰাজ-পুৰীৰ ফাললৈ খোজ দিলে।

ৰাজপুৰীৰ পৰা ওলাই আহোঁতেও ৰজাক কোনোৱে দেখা নাছিল ; কেচুৱাটিক লৈ ৰাজপুৰী সোমাওঁতেও তেওঁক কোনোৱেও দেখা নাপালে। জনকে পোনতে ৰাণী সুমতীক টোপনিৰ পৰা জগাই কলে—"দেবি ! আমাৰ বৰ সৌভাগ্য। বসুমতীৰ কন্যা সীতাক যেনেকৈ যজ্ঞভূমিত পাইছিলোঁ, আজি আকৌ বসু-মতীৰ পুত্ৰ এই কেচুৱাটিকো সেইদৰে যজ্ঞভূমিত পালোঁ। মই অনুৰোধ কৰিছোঁ সীতাৰ নিচিনাকৈ ইয়াকো তুমি নিজৰ পুত্ৰৰ দৰে পালন কৰা। এই কেচুৱাটিৰ পৰা আমাৰ পুণ্য, মঙ্গল, যশ, সৌভাগ্য আদি বৃদ্ধি হব বুলি মই জানিব পাৰিছোঁ।"

পৰম ৰূপবান কেচুৱাটিক ৰজাৰ কোলাত দেখি ৰাণী পোনতে আচৰিত হল আৰু মৰমতে পমি গল। ৰজাৰ কথা শুনি ভাবিলে—সকলো প্ৰকাৰ খোৱা বস্তুৱেই বসুমতী অৰ্থাৎ মাটিৰ পৰাই উৎপন্ন হয়। তাকে খায়েই প্ৰাণী জীয়াই থাকে। এই কেচুৱাটিক লালন-পালন কৰি বসুমতীক সন্তুষ্ট ৰাখিলে তেওঁৰ কৃপাত ফলে ফুলে শস্যই ৰাজ্য উপচি পৰিব আৰু প্ৰজাৰ সুখ-শান্তি বৃদ্ধি হব, এনেবোৰ কথা ৰাণীৰ মনলৈ আহিল আৰু তেতিয়াই কেচুৱাটিক সাবটি বুকৰ মাজলৈ নিলে।

ৰাজ-টোলৰ ভিতৰত ৰজা-ৰাণীৰ অঙহী-বঙহী ঢেৰ পৰিয়াল থাকে। কাৰ লৰাক ৰাণী সুমতীয়ে এইদৰে তুলিতালি

ডাঙৰ-দীঘল কৰিব ধৰিছে সেইকথা বাহিৰৰ মানুহেতো নাজানিলেই, ৰাজপুৰীৰ ভিতৰৰ মানুহেও বিশেষ একো গম নাপালে ; ইফালে লৰাৰ মৰমতে বসুমতী দেবীও তিৰোতা এগৰাকী হৈ আহি ৰাজপুৰীত সুমতী ৰাণীক দেখা কৰিলে ; আৰু নিজৰ নাম "কাত্যায়নী" বুলি কৈ কেচুৱা লৰা ছোৱালীক ডাঙৰ দীঘল কৰা ধাত্ৰী-বিদ্যা জনা বুলি ৰাণীক জনালে। ৰাণী সুমতীয়ে তেনে মানুহ এগৰাকীৰ কথা মনে মনে ভাবিছিলেই ; কাত্যায়নী অহাই ভালকে পালে আৰু তেতিয়াই কেচুৱাটিক গটাই দিলে।

ৰজাঘৰীয়া আন লৰা ছোৱালীৰ নিচিনাকৈ গৌতম মুনিৰ দ্বাৰা কেচুৱাটিবো জনক ৰজাই জাত-কৰম আদি কৰালে। নৰ কপাল অৰ্থাৎ মানুহৰ মূৰৰ খোলাত মুৰ থৈ পৰি আছিল, সেইবাবে কেচুৱাটিৰ নাম "নৰক" থলে আৰু তেতিয়াৰ পৰা সি নৰক নামে জনাজাত হল। ৰজা-ৰাণীৰ আদৰ চেনেহত আৰু কাত্যায়নী ধাত্ৰী নামে ভেশছন কৰি থকা বসুমতী দেবীৰ যত্নত নৰক শুক্লপক্ষৰ জোনটোৰ নিচিনাকৈ দিনৌ বাঢ়ি আহিব ধৰিলে। গৌতম মুনিৰ পুতেক শতানন্দ মুনি আছিল ৰজা ঘৰৰ লৰাছোৱালীবোৰৰ শিক্ষক। শতানন্দৰ পৰা নৰকে বয়সৰ লগে লগে শাস্ত্ৰ-সদাচাৰ, ৰীতি-নীতি আদিতো শিকিলেই, ধনু-যুদ্ধ, গদা-যুদ্ধ আদি নানা প্ৰকাৰৰ যুদ্ধ বিদ্যাও শিক্ষা কৰিলে।

## দ্বিতীয় অধ্যায়—

এইদৰে শিকি-বুজি ডাঙৰ-দীঘল হৈ নৰক প্ৰায় ষোল বছৰীয়া হল। বুদ্ধিয়ে-জ্ঞানে, বলে-বিক্ৰমে, ৰূপে-গুণে, দেখাই-শুনাই জনকৰজাৰ লৰাবোৰতকৈ নৰক সকলো প্ৰকাৰে শ্ৰেষ্ঠ হৈ উঠিল। নৰকতকৈ নিজৰ লৰাবোৰক এনে হীন তেজ আৰু অকামিলা হোৱা দেখি জনক ৰজা চিন্তিত হল। এই তেজস্বী আৰু শক্তিমান নৰকে তেওঁৰ পুত্ৰসকলক খেদি এদিন বিদেহ ৰাজ্য অধিকাৰ কৰিব বুলি তেওঁ মনতে আশঙ্কা কৰিলে। ইয়াৰ কি উপায় যে কৰিব ভাবি-চিন্তি পাৰ নোপোৱাত পৰিল; আৰু এই কাৰণতে ৰজাই পেটে-পেটে নৰকক বেয়া পোৱা হল; কিন্তু মুখত হলে আগৰ নিচিনা ব্যৱহাৰ কৰিয়েই থাকিল।

নৰকৰ প্ৰতি ৰজাৰ এই বিষম ভাব, ধাত্ৰী ৰূপে থকা বসুমতী দেবীয়ে গম পালে। তিৰোতাৰ চকুক ফাকি দিয়া টান—ৰজাৰ এই আচৰণ ৰাণী সুমতীৰ চকুতো নপৰাকৈ নাথাকিল। এদিন ৰাণীয়ে আনক আৰে জনকক সুধিলে,—"মহাৰাজ! আজি কিছুমান দিনৰ পৰা আপোনাক সদায় চিন্তাযুক্ত দেখিছোঁ। ভগবন্তৰ কৃপাত ধনে-জনে, পুত্ৰ-কন্যাই আমি পৰম ভাগ্যবান। আপোনাৰ অশেষ পুণ্যৰ ফলত পোৱা পুত্ৰ নৰকো ৰূপে-গুণে, বলে-বীৰ্যে সমতুল লৰা। ৰাজ্যতো কোনো প্ৰকাৰ দুখ-দুৰ্গতি বা অপায়-অমঙ্গল হোৱা নাই। এনে

স্থলত মহাৰাজ, আপোনাৰ কিহৰ দুখ ? আৰু এটা কথা সুধিবলৈ মোৰ সাহেই নহয়,—আপুনি দেখোন আগৰ নিচিনাকৈ নৰকক মৰম-চেনেহ নকৰে। সি আগত ওলালেই আপোনাৰ মুখত বিৰক্তিৰ ভাব ফুটি উঠে। মহাৰাজ ! এই অশোভনীয় আচৰণৰ কাৰণ কি ?”

ৰাণীৰ কথা শুনি ৰজাই মনে মনে হিচাব কৰি পালে— নৰকৰ ষোল বছৰ পূৰা হবলৈ আৰু অলপ দিন, মাত্ৰ বাকী আছে। বসুমতীৰ কথামতে নৰকৰ জন্মৰ ৰহস্য ইমান দিনে কাৰো আগত কোৱা নাই। আজিও ৰাণীক সেই সম্বন্ধে একো নজনাই ইয়াকে মাত্ৰ কলে—“দেবি ! তুমি সোধা কথাবোৰৰ উত্তৰ আজি দিয়াৰ অলপ অসুবিধা আছে ; আৰু দুই চাৰি দিন বাট চোৱা—আপোনা-আপুনি সকলো কথাকে জানিব পাৰিবা, নহলে তেতিয়া মই ভাঙি-পাতি কম।”

## তৃতীয় অধ্যায়—

ৰজা-ৰাণীৰ ভিতৰত এইবোৰ আলোচনা হোৱা ধাত্ৰী কাত্যায়নীয়ে গম পাই ভাবিলে,—পুত্ৰ নৰকৰ ষোল বছৰ হলেই ; অৱস্থা যেনে দেখিছোঁ—ইমানতে তাক লৈ ইয়াৰ পৰা নগলে, ময়ো ধৰা পৰিম, লৰাৰ ৰহস্যও সকলোৱে জানি পেলাব,—ইয়াকে স্থিৰ কৰি ধাত্ৰীয়ে সুযোগ চাই থাকিল।

এদিন শতানন্দৰে সৈতে জনক ৰজাক অকলে থকা দেখি কাত্যায়নী ওচৰ চাপি গল আৰু তৎক্ষণাত নিজৰ বসুমতী ৰূপ ধৰি ৰজাক কলে—"মহাৰাজ! মোৰ অনুৰোধ মতে আপুনি পুত্ৰ নৰকক প্ৰতিপালন কৰি সকলো প্ৰকাৰৰ মনুষ্যধৰ্ম শিক্ষা দিলে। তাৰ যোল বছৰ পূৰ্ণ হবলৈ আৰু বেছি দিন নাই। পূৰ্বৰ কথা মতে এতিয়া তাক লৈ যাব খোঁজো—আপুনি অনুগ্ৰহ কৰি অনুমতি দিয়ক;"—ইয়াকে কৈ বসুমতীয়ে আকৌ কাত্যায়নী ৰূপ ললে। বসুমতী দেবীয়েই যে কাত্যায়ণী ধাত্ৰী ৰূপে আছে, এই কথা জানি জনক ৰজা আচৰিত হল আৰু পূৰ্বৰ কথা সুৰঁৰি তেওঁ তেতিয়াই অনুমতি দিলে। শতানন্দইতো এইবোৰ কথাৰ একো নাজানে; তেওঁ মুখ মেলি চাই থাকিল।

জনক ৰজা আৰু সুমতী ৰাণীক নৰকে যেনেকৈ পিতৃ-মাতৃ বুলি মান্য কৰে, ধাইমাক কাত্যায়নীকো সেইদৰে যথোচিত শ্ৰদ্ধা আৰু ভক্তি কৰে। কাত্যায়নীয়ে নৰকক অকল-শৰীয়া কৈ লগ ধৰি কলে "বাপা নৰক! মই গঙ্গাত গাটো ধুই আহোঁ, তুমি লগত যাব লাগিব।" নৰকে কলে "ভাল ধাইমা। মই মহাৰাজৰ পৰা অনুমতি লৈ ৰথ খন লৈ আহোঁ, আপোনাক চকুৰ নিমিষতে এতিয়াই গা ধুৱাই আনিব পাৰিম।"

নৰকৰ কথা শুনি কাত্যায়নীয়ে কলে— "বাছা! তুমি কাকো কব নালাগে, গা ধোৱাটো মোৰ ছলহে, আচল কথা

তুমি আৰু মই ইয়াৰ পৰা গোপনে গুচি যাব খুজিছোঁ। মহাৰাজ জনক আৰু ৰাণী সুমতী তোমাৰ আচল পিতৃ-মাতৃ নহয়; তেওঁলোকে তোমাক প্ৰতিপালন হে কৰিছে। তোমাৰ পিতৃ হৈছে ভগবান বিষ্ণু আৰু ময়েই তোমাৰ মাতৃ, সকলো প্ৰাণীৰে আশ্ৰয় বসুমতী। তোমাৰ মৰমতে এই ভেশে জনকৰ ঘৰত আছোঁ। মই ৰজাৰ অনুমতি লৈছো; মোৰ লগত বলা, তোমাৰ নিজৰ সম্বন্ধে সকলো কথাকে শুনিব পাবা।" ইয়াকে কৈ কাত্যায়নীয়ে চকুৰ নিমিষতে নৰকক নিজৰ বসুমতী ৰূপ দেখুৱাই তেতিয়াই আকৌ আগৰ নিচিনা কাত্যায়নী-বেশ ললে।

নৰকে এই আচৰিত ঘটনা চকুৰ আগতে দেখি আৰু আচৰিত কথা শুনি নিমাতে কাত্যায়নীয়ে সৈতে খোজ কাঢ়ি গঙ্গাৰ পাৰলৈ গল। তাতে কাত্যায়নীয়ে নৰকৰ জন্মৰে পৰা সকলো কথাকে ভাঙি-পাতি কলে। এই পৰম ৰহস্যময় কথা শুনি নৰকে কলে—"তেনেহলে আই! মোৰ পিতা ভগৱান বিষ্ণুক এতিয়া যেনেকৈ দেখা পাওঁ তাৰ উপায় কওক।"

নৰকৰ কথা শুনি বসুমতীয়ে নিজৰূপ লৈ বিষ্ণুক স্তুতি কৰিব ধৰিলে। শঙ্খ, চক্ৰ, গদা, পদ্ম চাৰিহাতে লৈ চতুৰ্ভুজ ভগবান বিষ্ণু গঙ্গাৰ পাৰত উপস্থিত হল। সেৱা-সন্মান জনাই বসুমতীয়ে কলে—"প্ৰভু! এয়ে আমাৰ সন্তান

নৰক। বৰ্ত্তমানে লৰাৰ বয়স ষোল বছৰ হল। পূৰ্ব্বৰ কথামতে এতিয়া আপুনি তাক এঠাইত থিতাপি কৰক।”

নৰকে বিষ্ণু আৰু বসুমতীক দণ্ডৱতে সেৱা জনাই ভয়তে এফলীয়া হৈ যোৰহাতে থিয় দি থাকিল। বিষ্ণুই প্ৰশংসা আৰু মৰমৰ চকুৰে চাই আগবাঢ়ি গৈ নৰকৰ মূৰত তেওঁৰ হাতৰ শঙ্খটো লগাই দিলে। বিষ্ণুৱে সেইদৰে স্পৰ্শ কৰাই, নৰকৰ বল-বিক্ৰম, সাহ-পীত, উৎসাহ-আনন্দ সকলো দুগুণে বাঢ়িল।

তেতিয়া ভগবান বিষ্ণুই বসুমতী আৰু নৰকক লগত লৈ গঙ্গাৰ পানীত নামি ঠাইতে নোহোৱা হল আৰু পূব-ফালে ভালেমান দূৰৰ ইন্দ্ৰপুৰী যেন এখন নগৰত উপস্থিত হল। সেইখন “কিৰাত” নামে এজাত মানুহৰ থকা ঠাই। সিহঁত দেখাত বলৱন্ত, নিপোটল চেহেৰাৰ, মূৰৰ চুলি খুৰোৱা, কু-ঠগুৱা, অজ্ঞানী মানুহ। মদ আৰু মঙ্গহেই সিহঁতৰ ঘাই আহাৰ। নগৰখন হৈছে কিৰাতৰ ৰজা “ঘটক কিৰাত”ৰ ৰাজধানী।

নৰক আৰু বসুমতীয়ে সৈতে বিষ্ণুক দেখা পাই, কিৰাত বোৰক লগত লৈ ঘটক খেদি আহিল। বিষ্ণুৰ আদেশ মতে নৰকে পোনতে যুদ্ধত ঘটকক বধ কৰিলে। তাৰ পিচত মুখীয়াল মুখীয়াল কিৰাতবোৰক মাৰি শেষ কৰাত, আন সাধাৰণ, কিৰাতবোৰ ভয়তে পূব ফালে পলাব ধৰিলে। বিষ্ণুৰ

আদেশ মতে ঘটকৰ চাৰিদঁতীয়া বগা হাতীটোত উঠি নৰকে পলৰীয়া কিৰাতবোৰক খেদি নি পূব সাগৰৰ দাঁতিত থৈ আহিল।

## চতুৰ্থ অধ্যায়—

নৰকৰ বল-বিক্ৰম দেখি বিষ্ণু সন্তুষ্ট হল। নৰকক কলে, "বাছা! এই ৰাজ্যখনৰ নাম কামৰূপ ৰাজ্য। পূবে (১) 'দিক্কৰ বাসিনী' নদীৰ পৰা পশ্চিমে (২) 'কৰতোয়া' নদীলৈ এই ৰাজ্য দীঘল। এই নগৰ খনৰ নাম (৩) "প্ৰাগ্‌জ্যোতিষ্‌পুৰ"। আকাশত থাপনা কৰিবলৈ যেতিয়া ব্ৰহ্মাই জেউতি থকা নক্ষত্ৰবোৰ স্ৰজন কৰে তেতিয়া এটা নক্ষত্ৰ ইয়াতে এৰি থৈছিল, সেইবাবে নগৰ খনৰ এই নাম হৈছে। প্ৰাগ্‌জ্যোতিষৰ কাষেৰে ব্ৰহ্মপুত্ৰ নদ গোটেইখন ৰাজ্যৰ মাজেদি বৈ গৈছে। ইয়াত কামৰূপৰ ঈশ্বৰী কামৰূপা কামাখ্যা-দেবী সদায় থাকে; গতিকে মহেশ্বৰ শিবো ইয়াতে আছে। এই ৰাজ্য মহা পুণ্যস্থান সেইবাবে দেৱতা সকলেও ইয়াত থাকিবলৈ বাঞ্ছা কৰে।

নৰক! আজিৰ পৰা তোমাক কামৰূপ ৰাজ্যৰ অধিপতি কৰিলোঁ। এই প্ৰাগ্‌জ্যোতিষ্‌পুৰেই হল তোমাৰ ৰাজধানী। কিৰাতৰাজ ঘটকৰ চাৰিদতীয়া বগা হাতী, বায়ুবেগী ঘোৰা,

---

(১) সদীয়াৰ ওচৰৰ দিকৰাং নদীয়েই আগৰ দিক্কৰ বাসিনী (২) কৰতোয়া নদী জলপাইগুৰি আৰু ৰংপুৰ জিলাৰ মাজেদি বৈ গৈছিল; এতিয়া সেই নদী শুকাই গৈছে (৩) আমাৰ গুৱাহাটীয়েই আগৰ প্ৰাগ্‌জ্যোতিষ্‌পুৰ।

বিশাল মায়াময় ৰথ, অস্ত্ৰ—শস্ত্ৰ, ধ্বজ—দণ্ড, পতকা আদি সকলোকে তুমি ব্যৱহাৰ কৰিবা। বিদৰ্ভদেশৰ ৰজাক মই কৈ থৈছোঁ—যথাসময়ত মায়াদেবী নামে তেওঁৰ পৰম সুন্দৰী গুণৱতী কন্যাক তোমাত বিয়া দিম। সেই ভাৰ্যাৰ পৰা দ্বাপৰ যুগত তোমাৰ পুত্ৰ লাভ হব। এইপাত "মহাশক্তি" অস্ত্ৰ লোৱা—প্ৰাণৰ সংশয় নহলে এই অস্ত্ৰ মানুহৰ গালৈ নামাৰিবা। এই সমস্তৰে অধিপতি হৈ সুখে সন্তোষে তুমি ৰাজ্য ভোগ কৰা।

কিন্তু তোমাৰ মাতৃ বসুমতী দেবীক আগত ৰাখি আৰু দুই আষাৰ মান কথা তোমাক কৈ থওঁ—ঈশ্বৰী কামাখ্যা দেবীক তুমি সদায় পূজা কৰিবা, আন দেব-দেবীকো অমান্য অভক্তি নকৰিবা; বামুণ-সজ্জনৰ প্ৰতি অবজ্ঞা বা অশ্ৰদ্ধাৰ ভাব মনত নানিবা, দুৰ্বল প্ৰজাক পীড়ন আৰু অবলা নাৰীক অত্যাচাৰ কেতিয়াও নকৰিবা। এইবোৰ যদি কৰা তেনেহলে কোনো এক প্ৰবল শক্তিমান মনুষ্যৰ হাতত তোমাৰ মৃত্যু হব।"

ইয়াকে কৈ বিষ্ণু ঠাইতে নোহোৱা হল। ভগবতী বসুমতী দেবীও নৰকক নানা উপদেশ দি বিদায় ললে।

## পঞ্চম অধ্যায়—

এইদৰে নানা প্ৰকাৰ আচৰিত ঘটনাৰ মাজেদি নৰক কামৰূপ ৰাজ্যৰ ৰজা হৈ পিতৃ-মাতৃৰ উপদেশ অনুসৰি ৰাজ্যখনৰ শৃঙ্খলা

লগোৱাত মন দিলে। পোনতে পর্বতে গহ্বৰে আগুৰি থকা ৰাজধানী প্ৰাগ্‌জ্যোতিষ্‌পুৰত নানা প্ৰকাৰ ঘৰ দুৱাৰ আলি-পদুলী সজাই নগৰখন বাহিৰে ভিতৰে স্বৰ্গপুৰী যেন কৰিলে। বেদ-শাস্ত্ৰ আদিত পণ্ডিত সদাচাৰী ব্ৰাহ্মণ সকলক আনি ঠায়ে ঠায়ে বহুৱালে আৰু কামাখ্যা গোসানীৰ পূজা সেৱাৰ সকল প্ৰকাৰে সুবন্দবস্ত কৰিলে। তাৰ পিছত বিদৰ্ভ ৰজাৰ ছোৱালী মায়াদেবীক বিয়া কৰাই নৰকে পৰম সুখে ধৰ্ম্মৰাজ্য কামৰূপ শাসন কৰিব ধৰিলে।

নৰক বিদেহৰ পৰা অহাৰ পাছতে ধৰ্মিষ্ঠ জনক ৰজাই নৰকৰ জন্মৰে পৰা সকলো কথাকে ৰাণী সুমতীক ভাঙি-পাতি কৈছিল। কামৰূপ ৰাজ্যত ৰজা হোৱাৰ পাছত যেতিয়া নৰকৰ যশস্যা চাৰিও ফালে ফাটি-ফুটি গ'ল, তেতিয়া সুদিন সুকাল চাই মহাৰাজ জনক আৰু ৰাণী সুমতী নৰকক চাবলৈ এদিন প্ৰাগ্‌-জ্যোতিষ্‌পুৰ পালেহি আহি। নিজৰ পুত্ৰ কন্যাবোৰকো আনিলে, নৰকৰ সমনীয়া আন বন্ধু বান্ধববোৰো লগতে আহিল। বিদেহৰ লোকে প্ৰাগ্‌-জ্যোতিষ্‌পুৰ ভৰি পৰিল।

জীৱনৰ প্ৰথম পৰিচিত আৰু প্ৰধান প্ৰিয় ইমানবোৰ লোকক ভালে দিনৰ মূৰত হঠাতে এইদৰে নিজৰ ৰাজধানীতে পাই নৰকে স্বৰ্গটুকি পোৱা যেন পালে। জনক আৰু সুমতীক মায়াৰে সৈতে নৰকে পৰি পৰি প্ৰণাম জনালে। সমনীয়া বোৰক ঘনে ঘনে নৰকে আকোৱালি ধৰিলে। মিলনৰ আনন্দতে আটাইৰে চকুলোৰে বুকু ভাহি গ'ল। দিন-ৰাতি সমানে নগৰত আনন্দ উৎসৱ চলিব ধৰিলে।

জনক আৰু সুমতীয়ে নৰকৰ ৰাজ্যত সুখ-সম্পদ আৰু ৰাজধানীৰ সকল প্ৰকাৰ সুশৃঙ্খলতা দেখি পৰম সন্তুষ্ট হল। নৰক আৰু মায়াৰ অনুৰোধত খাটিৰ মূৰত খাটি পিছুৱাই জনক আৰু সুমতী ভালেমান দিন প্ৰাগ্‌জোতিষ্‌পুৰত থাকিল তাৰ পিছত এদিন কামৰূপৰ ৰজা-ৰাণীক প্ৰশংসা আৰু আশীৰ্বাদ কৰি বিদেহৰ ৰজা-ৰাণী নিজ-ৰাজ্যলৈ মেলানি মাগিলে।

—— x ——

# মাজছোৱা

—— x ——

## প্ৰথম অধ্যায়—

ত্ৰেতা যুগ অন্ত হল—,দ্বাপৰ যুগ পৰিল। মহাৰাজ নৰকে মহাসুখ্যাতিৰে সৈতে কামৰূপ ৰাজ্যত ৰাজত্ব কৰিব ধৰিলে। ভগদত্ত, মহাশীৰ্ষ, মদবান আৰু সুমালী নামে তেওঁৰ চাৰিটি পুত্ৰও উপজিল। ধনে-ধানে, সুখে-সৌভাগ্যই দেশ উপচি পৰিল। কামৰূপৰ ৰজাৰ যশস্যা আৰু প্ৰতাপ—কামৰূপী সৈনাৰ বল-বিক্ৰম, ৰাজধানী প্ৰাগ্‌জ্যোতিষ্‌পুৰৰ ঐশ্বৰ্য্য আৰু সম্পদৰ কথা গোটেই ভাৰতবৰ্ষতে জনাজাত হল।

কামৰূপ ৰাজ্যৰ উত্তৰ অঞ্চলত হিমালয় পৰ্ব্বতৰ নামনিত—( আজি কালিৰ দৰং জিলা ) পুৰণি কালত শোণিতপুৰ

নামে এখন ৰাজ্য আছিল। নৰক ৰজাৰ সময়ত বলি দানবৰ পুত্ৰ বাণ দানবে অগ্নিদুৰ্গ নামে ৰাজধানী পাতি শোণিতপুৰ ৰাজ্যত ৰাজত্ব কৰিছিল। এতিয়াৰ তেজপুৰেই তেতিয়াৰ অগ্নিদুৰ্গ নগৰ। বাণৰজা মহা শিৱভক্ত আৰু অতিশয় দুৰ্দান্ত আছিল। শিৱৰ অনুগ্ৰহ পাই বাণে সংসাৰৰ কাকো খেৰ-কুটা বুলিয়েই গণ্য নকৰিছিল।

কিবা স্বৰূপে এই দুৰ্মতি বাণ ৰজাৰ লগত পুণ্যবান নৰক ৰজাৰ বন্ধুত্ব হল। নানা ঘটনাৰ মাজেদি দুয়োৰো ভিতৰত এনে মিত্ৰতা উপজিল যে আপদে-বিপদে ৰঙে-ৰহস্যে ইজনে সিজনক নেৰাত পৰিল। সুবিধা পালেই নৰকৰ ৰাজধানী প্ৰাগ্‌জ্যোতিষ্‌পুৰত আহি বাণ দুই চাৰি দিন থাকি যায়। সেইদৰে বাণৰ ৰাজধানী অগ্নিদুৰ্গত নৰকে গৈ আজৰি দিনত জিৰণি লয়।

এই সমিল-মিল ভাৱৰ পৰা বাণৰ পৰিবৰ্ত্তন একো নহল; কিন্তু নৰকৰ মনুষ্য চৰিত্ৰত হলে বাণৰ দানব স্বভাৱৰ চেকা পৰিল। বাণৰ নিচিনাকৈ নৰকেও বামুণ-সজ্জনক আগৰ নিচিনাকৈ শ্ৰদ্ধা নকৰা হল। যাগ-যজ্ঞ, দান-দক্ষিণা আদি ধৰ্ম্ম কাৰ্য্যলৈ পিঠি দিলে। নিজৰ পিতৃ-মাতৃ ভগবান বিষ্ণু আৰু বসুমতী দেৱীকতো পাহৰিলেই—আন চাৰি ৰাজ্যৰ ঈশ্বৰী ভগবতী কামাখ্যাকো পূজা-সেৱা নকৰা হল।

সেই সময়তে এদিন মাহাত্মা বশিষ্ঠ মুনি কামাখ্যা দেবীক দৰ্শন কৰাৰ মনেৰে প্ৰাগ্‌জ্যোতিষ্‌পুৰলৈ আহিল। দানব স্বভাবী নৰকে বশিষ্ঠক শ্ৰদ্ধা-সন্মানতো নেদেখুৱালেই বৰং নানা অকথা কু-কথা কৈ তেওঁক কামাখ্যা দৰ্শন কৰিব নিদিলে। নৰকৰ এনে ব্যৱহাৰত বশিষ্ঠই কুপিত হৈ কলে—"পাপাত্মা নৰক! তই ভগবান বিষ্ণুৰ পুত্ৰ হৈ বামুণক দেব-দৰ্শন কৰিব নিদিলি, ইয়াৰ ফলত কামৰূপ কামাখ্যা আইক কামৰূপ ৰাজ্যত আৰু কোনেও দেখা নাপায়। পুণ্যতীৰ্থ ব্ৰহ্মপুত্ৰৰ পানী শুকাই যাব। এই আনন্দময় ৰজাক নিৰানন্দ বিষাদে ঢাকি ধৰিব। ভগবান বিষ্ণুই মনুষ্যৰূপ ধৰি তোক আহি বধ কৰিব। তোৰ মৃত্যুৰ পাচত সকলোবোৰ আকৌ আগৰ দৰে হব। মই ওচৰত ৰখি থাকিলো, তোৰ মৰণৰ পাছতমই গুৱাহাটীৰ ওচৰৰ কামাখ্যা আইক দৰ্শন কৰিহে আন ঠাইলৈ যাম। এইদৰে নৰকক দুৰ্ঘোৰ শাপ দি বশিষ্ঠ প্ৰাগ্‌জ্যোতিষ্‌পুৰৰ পৰা গুচি গল।

বশিষ্ঠৰ শপনি শুনি নৰক নীলকুট পৰ্ব্বতৰ ওপৰৰ কামাখ্যা মন্দিৰলৈ গল। তাত দেখিলে কামাখ্যা পীঠৰ চিন চাবেই নোহোৱা হৈছে। ব্ৰহ্মপুত্ৰৰ ফালে চাই দেখিলে—নৈৰ সেই প্ৰবল সোঁত লাহে লাহে কমি আহিছে। ৰাজধানীৰ ফালে দেখিলে প্ৰজাসকলৰ মনৰ আনন্দ উজ্জ্বল ভাব যেন মলিন

---

গুৱাহাটীৰ ওচৰৰ বশিষ্ঠ আশ্ৰমত মুনিয়ে নৰক ৰজাৰ মৃত্যু দিনক বাট চাই আছিল।

হৈ গৈছে। অসুখ-বিসুখ, ৰোগ-ব্যাধিয়ে সিহঁতক আগুৰি ধৰিছে। চাৰিও ফালে এনে অঘটন ঘটনা হোৱা দেখি নৰকে পিতৃ-মাতৃ বিষ্ণু আৰু বসুমতীক স্তুতি মিনতি জনাই সুমৰণ কৰিলে কিন্তু তেওঁলোকেও আহি দেখা নিদিলে। তেতিয়া নৰকৰ মনত আচলকৈ চিন্তা হল আৰু মনে মনে বৰ ভয় পালে।

## দ্বিতীয় অধ্যায়—

এই বিপদৰ সময়ত দেহেকেহে লগা বন্ধু বাণ ৰজালৈ নৰকৰ মনত পৰিল। তেতিয়াই শোণিতপুৰৰ পৰা বাণক মাতি আনিবলৈ মহা বেগশালী ৰথত দূত পঠিয়াই দিলে। দূতৰ লগতে বাণ আহিল; দেখিলে—স্বৰ্গ পুৰীৰ নিচিনা পৰম শোভাময় প্ৰাগ্‌জ্যোতিষ্‌পুৰৰ ওপৰেদি যেন প্ৰবল ধুমুহা বতাহ বৈ গৈছে। সকলো মলিন, আটায়ে নিৰানন্দ, ৰজা নৰককো দুখ বেজাৰতে বিয়াকুল হোৱা যেন দেখিলে।

বাণ আহি পোৱা মাত্ৰেই—বশিষ্ঠ প্ৰাগ্‌জ্যোতিষ্‌পুৰলৈ অহাৰে পৰা যি যি ঘটনা হৈছিল—নৰকে সকলোকে জনালে,—"বন্ধু! মই কি কৰোঁতে দেখোন কি হল! এতিয়া কি উপায় কৰি এই অপায়-অমঙ্গলৰ হাত সাৰোঁ? তুমি কি দিহা দিয়া?"

নৰকৰ কথা শুনি বাণে কলে—"বন্ধু! এই আটাইবোৰেই হৈছে দেৱতাৰ ৰজা ইন্দ্ৰৰ ষড়যন্ত্ৰ। পৃথিবীত কোনোবা এজন প্ৰখ্যাত প্ৰতাপী হৈ উঠিলেই তাৰ স্বৰ্গৰাজ্যখন কেনেবাকৈ

কাঢ়ি নিয়ে বুলি ভয়তে মৰে। কাপুৰুষ ইন্দ্ৰ বিষ্ণুৰ এজন প্ৰধান্ ভক্ত। তোমাক সকলো ফালে আগবঢ়া আৰু উন্নত দেখি ইন্দ্ৰৰ সহ্য হোৱা নাই। সি বিষ্ণুক হাতত লৈ বশিষ্ঠৰ দ্বাৰাই তোমাক এইদৰে বিপদ্দত পেলাব খুজিছে। তুমি ইমান কৈ মাতাতো যে বিষ্ণু আৰু বসুমতী নাহিল তাৰো কাৰণ সেয়ে বুলি নিশ্চয় কৰি জানিবা।

বাৰু তুমি চিন্তা নকৰিবা। অপায় হলে উপায়ো ওলায়। বিষ্ণু-তিষ্ণুক খাটিৰ কথাৰ আৱশ্যক নাই। তুমি শিব বা ব্ৰহ্মাকে আৰাধনা কৰা। তেওঁলোক সন্তুষ্ট হৈ বৰ দিলে তোমাৰ বশিষ্ঠৰ শাপ খণ্ডন হব।

বাণৰ উপদেশে নৰকৰ গাত ধৰিলে। শিৱ হৈছে কামাখ্যাৰ সঙ্গী। কামাখ্যা নাইকিয়া হৈ ছ যেতিয়া শিবকো আৰু পাবৰ উপায় নাই বুলি ভাবিলে আৰু সেই কাৰণে ব্ৰহ্মাক আৰাধনা কৰাকে নৰকে ঠিৰাং কৰিলে। ব্ৰহ্মপুত্ৰৰ পাৰৰ এক নিৰ্জ্জন গুহাত বহি নৰক ৰজাই এক মনে এক ধ্যানে ব্ৰহ্মাকে আৰাধনা কৰিব ধৰিলে। ভালেমান দিনৰ মূৰত ব্ৰহ্মা তুষ্ট হৈ নৰকক দেখা দিলে আৰু কিয় আৰাধনা কৰিছে সুধিলে। নৰকে কলে প্ৰভু! অনুগ্ৰহ কৰি এই বৰ দিয়ক—মোক যেন দেবতা অসুৰ ৰাক্ষস কোনেও বধিব নোৱাৰে। মোৰ সন্তি-সন্ততি যেন চিৰকাল জগতত থাকে। সেই সন্তান বোৰৰ

মাতৃ হবলৈ যেন মোৰ ষোল হাজাৰ পৰম ৰূপৱতী পত্নী হয়। আৰু কোনো কালেই যেন মোক বিজয় আৰু ঐশ্বৰ্য্যই এৰা নিদিয়ে।”

নৰকৰ প্ৰাৰ্থনা শুনি ব্ৰহ্মাই কলে—“নৰক! তুমি যি যি প্ৰাৰ্থণা কৰিলা সেই আটাইবোৰেই পূৰণ হব। পত্নী কৰিবলৈ ষোল হাজাৰ ছোৱালীও তুমি সংগ্ৰহ কৰিব পাৰিবা; কিন্তু নাৰদ মুনিৰ উপদেশ নোপোৱালৈকে সিহঁতক বিয়া-বাৰু তুমি নকৰিবা”—ইয়াকে কৈ ব্ৰহ্মা ঠাইতে নোহোৱা হল।

ব্ৰহ্মাৰ বৰ পাই নৰক ৰাজধানীলৈ ফিৰি আহিল। সেই সময়তে বাণৰজাও আহি সেই খিনি পালে আৰু ব্ৰহ্মাৰ পৰা কি বৰ পালে নৰকত সুধিলে! বৰৰ বিবৰণ শুনি বাণে কলে “বন্ধু! তুমি ভুল কৰিলা। বশিষ্ঠই শাপ দিছিল তোমাক মানুহৰ হাতত মৰিবলৈ—দেৱতা অসুৰ ৰাক্ষসৰ অবধ্য হবলৈ বৰ খুজিলা, মানুহৰ কথা দেখোন তুমি নকলাই? আন ফালে বামুণৰ শাপত তোমাৰ কামাখ্যাও লুকায়েই থাকিল—ৰাজ্যৰ অসুখ অশান্তিও নুগুচিল—তেনেহলে খুজিলা নো কিটো!

বাৰু, যি হবৰ হল এই দেৱতা বামুণৰ নাম শুনিলে ভয়তে কপি মৰা তোমাৰ ৰাজ্যৰ কৰ্ম্মচাৰী বোৰক খেদি মহা পৰাক্ৰান্ত অসুৰ কিছুমানক আনি

ৰাজকাৰ্যত নিযুক্ত কৰা। সকল অনৰ্থৰ মূল দেৱৰাজ ইন্দ্ৰৰ স্বৰ্গপুৰী আক্ৰমণ কৰি ব্ৰহ্মাৰ বৰৰ পৰীক্ষা চোৱা। আনবোৰ কথা লাহে ধীৰে হৈ থাকক”—এইদৰে নৰকক নানা উপদেশ দি বাণৰজা শোণিতপুৰলৈ গল।

## তৃতীয় অধ্যায়—

বন্ধু বাণৰজাৰ উপদেশকে সাৰোগত কৰি পোন প্ৰথমে নৰকে প্ৰধান সেনাপতিজনক খেদি হয়গ্ৰীৱ নামে এক অসুৰক প্ৰধান সেনাপতি কৰিলে। হয়গ্ৰীৱে আকৌ ঢেৰ অসুৰ মাতি মাতি আনিব ধৰিলে। লাহে লাহে ৰাজ্যৰ সমস্ত পুৰণি কাৰ্যকাৰক খেদা খালে আৰু তাৰ ঠাইত নতুনকৈ অসুৰ কাৰ্যকাৰক নিযুক্ত হল। ক্ৰমে কামৰূপ ৰাজ্যৰ সৈন্য-সামন্তৰ দলবিলাকো অসুৰ শ্ৰেণীৰ লোকেৰে ভৰি পৰিল।

পাত্ৰ-মন্ত্ৰী অসুৰ, সৈন্য-সামন্ত অসুৰ, দুৱৰী-প্ৰহৰী অসুৰ এইদৰে অসুৰ কাৰ্যকাৰকবোৰক চলাই অসুৰৰ মাজত থাকি নৰক ৰজাৰ স্বভাৱ-চৰিত্ৰ, ৰুচি প্ৰকৃতি আসুৰিক ভাবৰ হৈ পৰিল। ধৰ্ম্মত বিঘিনি, ধাৰ্ম্মিকক নিন্দা, সাধু-সজ্জনক অবজ্ঞা দুৰ্ব্বলক পীড়ন আৰু নাৰীক অপমান কৰাই সদাচাৰী নৰক ৰজাৰ প্ৰধান কাৰ্য হল, আৰু সেই দৰে কামৰূপ ৰাজ্য শাসন কৰিব ধৰিলে।

তাৰ পিছত এদিন দুৰ্জ্জয় অসুৰ সৈন্যবোৰক লগত লৈ নৰকে দেৱতাৰ স্বৰ্গ-ৰাজ্য হঠাতে আক্ৰমণ কৰিলে। যুদ্ধত

দেবতাবোৰে সৈতে ইন্দ্ৰক পৰাজয় কৰি ৰাজধানী অমৰাবতীৰ পৰা খেদি পেলালে। দেবতাৰ মাতৃ অদিতিয়ে কাণত পিন্ধা মহামঙ্গল যুক্ত কুণ্ডল জোৰা কাঢ়ি লৈ নৰক নিজৰ ৰাজ্যলৈ উলটি আহিল। তাৰ পাছত বৰুণক জয় কৰি সুবিখ্যাত বৰুণ-ছত্ৰটো আনিলে। সেই ছাতাটোৰ পৰা দিনৌ আঠভাৰকৈ সোণ ওলায়। ব্ৰহ্মপুত্ৰৰ পাৰৰ "মণিপৰ্বত" নামে পৰ্বত এখনত নৰকে "অলকাপুৰী" নামেৰে বিচিত্ৰ গুপ্ত নগৰ এখন সজালে। আৰু সংসাৰৰ যাৰ যতে মুল্যবান ঐশ্বৰ্য আছিল কাঢ়ি-ধুহি আনি সেই গুপ্ত নগৰত থৈ দিলে।

দেৱতা গন্ধৰ্ব কিন্নৰ আদিৰ ষোল হাজাৰ আবিয়ে গাভৰু ছোৱালী লগ লাগি হিমালয় পৰ্ব্বতৰ নামনিত ৰং-ধেমালী কৰিবলৈ গৈছিল। সেনাপতি হয়গ্ৰীৱ অসুৰৰ মুখত খবৰ পাই নৰকে আটাইবোৰকে ধৰি আনি দুৰ্ভেদ্য অলকাপুৰীত বন্ধ কৰি থলে আৰু সিহঁতক বিয়া কৰাবলৈ কাৰবাৰ কৰিলে। ছোৱালীবোৰে কলে— "মহাৰাজ! নাৰদমুনি আমাৰ ৰখীয়া হৈ আছিল। তেওঁ আমাক বিচাৰি নিশ্চয় ইয়ালৈ আহিব। আপুনি অনুগ্ৰহ কৰি তেওঁ অহালৈ বাট চাওক, আমি মুনিত অনুমতি লৈ আপোনাত বিয়া সোমাম"। ব্ৰহ্মাই বৰ দিওঁতেও এই কথা কৈছিল; গতিকে ছোৱালীবোৰৰ কথাত নৰক সন্মত হল।

---

# শেহছোৱা

## প্ৰথম অধ্যায়—

নৰকৰ সমান দুৰ্দান্ত নহলেও তেনেকুৱা স্বভাৱৰ ভালেমান দুৰ্জন লোক সেই সময়তে উপজি পৃথিৱীত নানা প্ৰকাৰ অশান্তি উপদ্ৰৱ লগাইছিল। তাৰ ভিতৰত মথুৰাৰাজ্যৰ ৰজা কংসও এজন। দেৱতা সকলৰ প্ৰাৰ্থনা আৰু সাধু সকলৰ কাকুতিত তুষ্ট হৈ ভগবান বিষ্ণুই দুৰ্জনবোৰক দমাবলৈ সন্মত হ'ল। আৰু সেই মথুৰাতে দৈৱকীৰ গৰ্ভত মনুষ্যৰূপে জন্ম গ্ৰহণ কৰিলে। তেওঁৰ নাম হল শ্ৰীকৃষ্ণ। তেওঁ যথা সময়ত কংস, কেশী, প্ৰলম্ব আদি দুৰ্জনক মাৰি সকলোকে সন্তোষ দিলে। তাৰ পিছত শ্ৰীকৃষ্ণই পশ্চিম সাগৰৰ দাতিত দ্বাৰকা নগৰত ৰাজধানী পাতি ৰাজত্ব কৰিব ধৰিলে।

শ্ৰীকৃষ্ণই সাধু-সন্ত ধাৰ্ম্মিকক যেনেদৰে আদৰ কৰে দুখী দুৰ্ব্বল আতুৰক সেইদৰে ৰক্ষা কৰিব ধৰিলে। সেই সময়ত শ্ৰীকৃষ্ণই হল ভাৰতবৰ্ষৰ সকলোৰে একমাত্ৰ আশ্ৰয়। নৰক ৰজাৰ খেদা খাই দেৱৰাজ ইন্দ্ৰ দ্বাৰকালৈ গল আৰু নৰকৰ অত্যাচাৰৰ আটাইবোৰ কথা শ্ৰীকৃষ্ণৰ আগত বৰ্ণনা কৰিলে। ইন্দ্ৰৰ মুখত সকলো কথা শুনি শ্ৰীকৃষ্ণই নৰকক বিনাশ কৰিবলৈ সন্মত হল আৰু তেতিয়াই তেওঁৰ "যাদৱ সৈন্যবোৰক" যুদ্ধৰ সাজ পিন্ধিবলৈ আদেশ কৰিলে।

## দ্বিতীয় অধ্যায়—

প্ৰাগ্‌জ্যোতিষ্‌পুৰ ভাৰত ভূমিৰ পূবে আৰু দ্বাৰকা হৈছে একেবাৰে পশ্চিম ফালে সাগৰৰ দাঁতিত। এই দুৰ্ণিবাৰ সৈন্য সামন্ত লৈ আহোঁতে আহোঁতে শ্ৰীকৃষ্ণৰ কেইবাদিনো লাগিল। সেই সময়তে নাৰদ মুনি ছোৱালীবোৰক বিচাৰি প্ৰাগ্‌জ্যোতিষ্‌পুৰলৈ আহিল। নাৰদক অহা দেখি নৰকে ভালকে পালে আৰু ছোৱালীবোৰক বিয়া কৰাবলৈ অনুমতি খুজিলে। নাৰদে কলে "মহাৰাজ! ভাল প্ৰস্তাৱকে কৰিছে। আপুনি এই ছোৱালী বোৰৰ স্বামী হোৱাৰ সুযোগ্য লোক! আজি চৈত মাহৰ শুকুলা পঞ্চমী তিথি। আৰু চাৰিদিন পাছত নৱমীৰ দিনা আপোনাৰ বিশেষ বিপদ হোৱাৰ সম্ভাৱনা আছে। সেই দিনটো ভালে ভালে পাৰ হৈ গলে তাৰ পাচ দিন পাছত চতুৰ্দশীৰ দিনা আপুনি আনন্দমনে ইহঁতক বিয়া কৰাব পাৰিব"—ইয়াকে কৈ নাৰদ মুনি প্ৰাগ্‌জ্যোতিষপুৰৰ পৰা বিদায় ললে।

ঠিক তাৰ পাছতে দ্বাৰকাপতি শ্ৰীকৃষ্ণ সসৈন্যে কামৰূপলৈ অহা বুলি দূতে নৰকক খবৰ দিলে। এই খবৰ পায়েই নৰকে প্ৰধান সেনাপতি হয়গ্ৰীবে সৈতে আন আটাইবোৰ সেনাপতিক মতাই আনিলে আৰু শ্ৰীকৃষ্ণক কেনেকৈ ভেটা দিয়া হব তাৰ যুক্তি কৰিব ধৰিলে।

## তৃতীয় অধ্যায়

বিশেষৰূপে ভাবি চিন্তি উপযুক্ত সৈন্য সামন্তেৰে সৈতে ৰাজ্যৰ পশ্চিম দুৱাৰত থলে "মুৰু" নামে সেনাপতিক, প্ৰধান সেনাপতি হয়গ্ৰীৱক নিযুক্ত কৰিলে উত্তৰ দুৱাৰত। নিসুন্দ আৰু বিৰূপাক্ষ সেনাপতিক ৰাজ্যৰ পূব আৰু দক্ষিণ দুৱাৰ ৰক্ষা কৰিবলৈ নৰকে আদেশ কৰিলে। ৰাজধানী প্ৰাগ্‌জ্যোতিষ্‌পুৰ ৰক্ষাৰ ভাৰ দিলে সুন্দ সেনাপতিক। ৰাজধানীৰ চাৰিওফাল ক্ষুৰ লগোৱা জালেৰে বেঢ়ি সুন্দই সসৈন্যে সাবধানে ৰখি থাকিল।

যথা সময়ত কামৰূপ ৰাজ্যৰ পশ্চিম দুৱাৰক সমুখ কৰি শ্ৰীকৃষ্ণৰ যাদব সৈন্য আগুৱাই অহা দেখি নৰকৰ সৈন্যই ৰণবাদ্য বজাই দিলে। মুখামুখি হৈয়েই ভয়া-ময়া যুদ্ধ লাগি গ'ল। ধৰ্ম্ম পৰায়ণ যাদব সৈন্যৰ আগত পাপকৰ্ম্মা অসুৰ সৈন্যই বেচি সময় তিষ্ঠিব নোৱাৰিলে।

সেনাপতিয়ে সৈতে প্ৰায় সমস্ত অসুৰ সৈন্যই ৰণত পৰিল। দুৱাৰত পট্ পট্ শব্দ কৰি উৰি থকা কামৰূপৰ ৰাজপতাকা ভৰিৰে গচকি যাদব সৈন্য পশ্চিম দুৱাৰেদি ৰাজ্যৰ ভিতৰত সোমাল আৰু ৰাজধানী প্ৰাগজ্যোতিষ্‌পুৰৰ ফালে আগ বাঢ়িব ধৰিলে।

তেতিয়া উত্তৰ আৰু দক্ষিণ দুৱাৰৰ ৰখীয়া দুই অসুৰ সেনাপতি দুই ফালৰ পৰা সসৈন্যে আগ বাঢ়ি আহি যাদব

সৈন্যক আক্ৰমণ কৰিলে। তাৰো ফল আগৰ নিচিনা হল। এই দুই দুৱাৰৰ অসুৰ সৈন্যকো শ্ৰীকৃষ্ণৰ যাদব সৈন্যই মাৰি শেষ কৰিলে।

## চতুৰ্থ অধ্যায়—

ৰাজধানীৰ ফাললৈ যাদব সৈন্যক আগবাঢ়ি অহা দেখি নৰক ৰজাই পূব দুৱাৰৰখীয়া সমস্ত সৈন্যকে পশ্চিমলৈ আনি শত্ৰুক আগ ভেটিব দিলে। ৰাজধানী ৰখীয়া সুন্দ সেনাপতিক সাবধানে থাকিবলৈ কৈ কামৰূপ অধিপতি নৰক নিজে ৰণলৈ সাজি কাছি ওলাল।

যুদ্ধৰ সাজ পিন্ধোতে ৰাজ্য পোৱাৰ সময়ত পিতৃ বিষ্ণুই দিয়া উপদেশ আৰু সাবধান বাণী, বশিষ্ঠৰ শাপ, ব্ৰহ্মাৰ পৰা লোৱা ছিদ্ৰযুক্ত বৰ—আৰু নাৰদে কোৱা বিপদীয়া নৱমী তিথি—এই আটাইবোৰ কথাই মনত পৰি খন্তেকলৈ নৰক ৰজাৰ মন অবশ হোৱা যেন হল; কিন্তু তেতিয়া আৰু প্ৰতি-কাৰৰ উপায় নাই!! চিন্তা ভাবনা সকলোকে কাতি কৰি থৈ নৰক যুদ্ধলৈ ওলাল। সাজি কাছি বজ্ৰধ্বজ কামৰূপ পতাকাযুক্ত লোহাৰ আঠ চকীয়া সুবৰ্ণ ৰথত নৰক উঠি বহিল আৰু চকুৰ নিমিষতে একেকোবে গৈ দ্বাৰকাপতি শ্ৰীকৃষ্ণৰ সমুখত ৰথ থিয় কৰিলে।

দুৰ্ঘোৰ যুদ্ধ আৰম্ভ হল। কামৰূপৰ অধিপতি নৰক আৰু দ্বাৰকাপতি শ্ৰীকৃষ্ণৰ তয়া ময়া ৰণ ওপৰৰ পৰা দেৱতা সক-

লেও চাবলৈ ধৰিলে। অসুৰ সৈন্য মৰি ছন হল, যাদব সৈন্যও ঢেৰ পৰিল। শ্ৰীকৃষ্ণৰ শৰৰ আঘাতত তত নাপাই নৰকে বিষ্ণুই দিয়া "মহাশক্তি" প্ৰয়োগ কৰিবলৈ কাৰবাৰ কৰা দেখি কৃষ্ণই ততালিকে তেওঁৰ অব্যৰ্থ ভীষণ "সুদৰ্শন চক্ৰ" মাৰি পঠিয়ালে। ৰক্ষাৰ উপায় কানো মতেই নহল—সুদৰ্শনে মাজতে দুদোখৰ কৰি নৰকক কাটি পেলালে।

মহাৰাজ নৰক ৰণত পৰা শুনি ৰাজধানী এৰি অসুৰ সৈনা ছেদেলি-ভেদেলি হৈ পলাল। ৰাজপুৰীত হাহাকাৰ লাগিল। যাদব সৈন্য কামৰূপৰ ৰাজধানী প্ৰাগ্‌জ্যোতিষ্‌পুৰত সোমাই চাৰিও ফালে পিয়া-পি-দি ফুৰিব ধৰিলে।

**পঞ্চম অধ্যায়—**

সকলোৰে শেহত ধীৰে সুস্থে মহাপযোভৰেৰে সৈতে দ্বাৰকা-পতি শ্ৰীকৃষ্ণ গৈ প্ৰাগ্‌জ্যোতিষপুৰত সোমাল। নৰক ৰজাৰ ৰাজ-ধানীত বিচক্ষণ ব্যৱস্থা, বিতোপন ঘৰ-দুৱাৰ আৰু অতুল ঐশ্বৰ্য-সম্পদ দেখি শ্ৰীকৃষ্ণ আচৰিত হ'ল। সেই সময়তে বসুমতী দেবী আৰু নাৰদ মুনিও আহি সেই খিনি পালে। বসুমতীয়ে শ্ৰীকৃষ্ণক কলে—"নৰক মোৰ পুত্ৰ আছিল; কিন্তু সি মোৰ হাক- বাধা, আদেশ—উপদেশ একোকে নুশুনি অশেষ কুকাৰ্য কৰি ফুৰিছিল। সেইবাবে তাৰ প্ৰতিফল এনেদৰে পালে। "হে যদুপতি! আপুনি তাৰ সন্ততিবোৰৰ প্ৰতি তুষ্ট

হওক আৰু অনুগ্ৰহ কৰি সিহঁতক আপুনি সকলো প্ৰকাৰে ৰক্ষা কৰক।”

বসুমতীৰ এই অনুৰোধ ৰাখিবলৈ শ্ৰীকৃষ্ণ সন্মত হ'ল। তাৰ পিছত নাৰদ আৰু বসুমতীক লগত লৈ শ্ৰীকৃষ্ণই প্ৰাগ্‌জ্যোতিষ্‌পুৰ ভাল দৰে চাই ফুৰিব ধৰিলে। চাৰিও ফালে চাই-মিলি সমশেহত নৰক ৰজাৰ গুপ্তনগৰ অলকাপুৰীত গৈ সোমাল। সেই যন্ত্ৰময় দুৱাৰ লগোৱা সুকৌশলে নিৰ্মাণ কৰা গুপ্তপুৰীত দেখিলে—মানুহ দূৰৰে কথা দেৱতাৰ পক্ষেও অলকাপুৰীত সোমোৱা সহজ কথা নহয়। আৰু দেখিলে মণি-মুক্তা-প্ৰবাল, সুবৰ্ণধ্বজ পতাকা, ৰত্নময় দণ্ড, বিচিত্ৰ যান-বাহন-শয্যা থাকে থাকে সজাই থোৱা আছে। ধন-সোণ আৰু আন ঐশ্বৰ্যৰ আদি অন্তই নাই; সকলোকে লাৰি চাৰি চাই মিলি শ্ৰীকৃষ্ণই কলে—“কুবেৰ, বৰুণ, যম আৰু ইন্দ্ৰই ত্ৰিভুবনত সুবিখ্যাত ঐশ্বৰ্যশালী কিন্তু কামৰূপ অধিপতি নৰকৰ আগত তেওঁলোক একো নহয়।”

ইয়াৰ পিছত দ্বাৰকাপতি শ্ৰীকৃষ্ণই নৰকে বন্দী কৰি থোৱা ছোৱালীবোৰক অলকাপুৰীৰ পৰা মুক্ত কৰি নাৰদে সৈতে দ্বাৰকালৈ পঠিয়াই দিলে। কামৰূপ বিজয়ৰ চিন স্বৰূপে দুৰ্লভ বৰুণছত্ৰটো শ্ৰীকৃষ্ণই নিজৰ কাৰণে ললে; কিন্তু নৰকে স্বৰ্গজয় কৰোতে অনা মহামঙ্গলময় কুণ্ডল জোৰা দেৱ-মাতৃ অদিতিক আকৌ পাওনি কৰিলে।

বসুমতী দেবীৰ অনুৰোধ মতে শ্ৰীকৃষ্ণই মহাৰাজ নৰকৰ বৰপুতেক ভগদত্ত বীৰক কামৰূপৰ সিংহাসনত বহুৱাই নৰকে ব্যৱহাৰ কৰা মহাশক্তি অস্ত্ৰপাত উপহাৰ দিলে। এই আটাইবোৰ ব্যৱস্থাকে কৰি আৰু ভগদত্তক নানা প্ৰকাৰ সজ উপদেশ দি দ্বাৰকাপতি শ্ৰীকৃষ্ণ দ্বাৰকালৈ প্ৰস্থান কৰিলে।

কামৰূপ অধিপতি নৰকৰ মৃত্যুৰ পাছত কামাখ্যা গোসানী আকৌ প্ৰকাশ পালে—বশিষ্ঠ মুনিৰ মনৰ অভিলাষ পুৰণ হল। আজিও সেইদৰে কামাখ্যা আই কামৰূপত আছে; কিন্তু তেতিয়া কামৰূপ যি আছিল—পশ্চিম সাগৰৰ পাৰৰ বহুদৰ্শী শ্ৰীকৃষ্ণই কামৰূপ ৰাজ্য আৰু ৰাজধানী প্ৰাগ্‌জ্যোতিষ্‌-পুৰ যেনে দেখিছিল আজি আৰু সেই কামৰূপ নাই। আজি কামৰূপ আসামৰ এখনি সৰু জিলা মাত্ৰ।

———×———

(অন্ত)

গুৱাহাটী ট্ৰিবিউন প্ৰেছত—
শ্ৰীকুঞ্জলাল থাপাৰ দ্বাৰা মুদ্ৰিত ।